# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 04-06-2024
**Time :** 19.10 hrs

## Assamese Evening Bulletin
**HEADLINES**

১।	দেশৰ ৫৪৩ খন লোকসভা আসনৰ ভিতৰত বিজেপিয়ে ৮৯ খনত জয়লাভ কৰাৰ লগতে ১৫০খনত অগ্ৰগতি লাভ কৰিছে। আনহাতে, কংগ্ৰেছে ৩৭ খনত জয়লাভ কৰাৰ বিপৰীতে ৬২ খন আসনত আগবাঢ়ি আছে।

২।	অসমৰ ১৪ টা সমষ্টিৰ ভিতৰত ৮ টা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী, আৰু ৩ টা সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী জয়ৰ দিশে অগ্ৰসৰ হৈছে।

৩।	ওড়িশা বিধানসভাৰ ১৪৭ খন আসনৰ ১৪ খনত বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰাৰ লগতে আন ৬৬ খনত আগবাঢ়ি আছে। ***আৰু***

৪।	ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ লক্ষ্য সেনে ইন্দোনেচিয়া অপেন ওৱান থাউজেণ্ড প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০

লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি দেশৰ ৫৪৩ খন লোকসভা আসনৰ ভিতৰত বিজেপিয়ে ইতিমধ্যে ৮৯ খন আসনত জয়লাভ কৰাৰ লগতে ১৫০ খনত  আসনত  অগ্ৰগতি লাভ কৰিছে। গুজৰাটৰ চুৰাট আসনত বিজেপিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। আনহাতে, কংগ্ৰেছে ৩৭ খন আসনত জয়লাভ কৰাৰ বিপৰীতে আন ৬২ খন আসনত আগবাঢ়ি আছে।

ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি **বাৰাণসী** সমষ্টিত বিজেপিৰ জ্যেষ্ঠ নেতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডেৰ লাখতকৈ অধইক ভোটত নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ প্ৰাৰ্থী অজয় ৰায়ক পৰাস্ত কৰে। আনহাতে, বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে **গুজৰাটৰ গান্ধীনগৰ** সমষ্টিৰ পৰা ৭ লাখতকৈ অধিক ভোটত নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ সৌনল পেটেলক পৰাস্ত কৰে। **পোৰবন্দৰ** সমষ্টিত বিজেপিৰ নেতা ডº মনসুখ মন্দাভিয়া কংগ্ৰেছৰ ললিত ৱছ'য়াতকৈ ৩ লাখ ৮০ হাজাৰ ভোটত আগবাঢ়ি আছে। **উত্তৰ প্ৰদেশৰ ৰায়বৰেলি** সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ৰাহুল গান্ধী নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ দীনেশ প্ৰতাপ সিঙতকৈ প্ৰায় ৪ লাখ ভোটত আগবাঢ়ি আছে। আনহাতে, গান্ধীয়ে চি পি আইৰ এনি ৰাজাক ৩ লাখ ৬৬ হাজাৰতকৈ অধিক ভোটৰ ব্যৱধানত  পৰাস্ত কৰি **কেৰালাৰ ৱায়নাড** সমষ্টিৰ পৰা জয়লাভ কৰিছে। **ৰাজস্থানৰ আলৱৰ** সমষ্টিৰ পৰা বিজেপিৰ ভূপেন্দৰ য়াদৱে জয়লাভ কৰিছে। **মহাৰাষ্ট্ৰৰ বাৰামতী** সমষ্টিত এন চি পি শাৰদ পাৱাৰ গোটৰ প্ৰাৰ্থী সুপ্ৰিয়া চুলে এন চি পিৰ প্ৰাৰ্থী সুনেত্ৰা অজিতদাদা পাৱাৰতকৈ ৫০ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। **বিহাৰৰ বেগুচৰাই সমষ্টিত** চিপিআইৰ অৱদেশ কুমাৰ ৰয়তকৈ বিজেপিৰ গিৰিৰাজ সিঙ ২৪ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। **মধ্য প্ৰদেশৰ গুণা**

সমষ্টিৰ পৰা বিজেপিৰ জ্যোতিৰাদিত্য এম সিন্ধিয়াই জয়লাভ কৰিছে। **গুৰগাঁও** সমষ্টিত কংগ্ৰেছ দলৰ ৰাজ বাববৰতকৈ নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ ৰাও ইন্দৰজিৎ সিঙ ৭৩ হাজাৰ ভোটত আগবাঢ়ি আছে। কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ **হিমাচল প্ৰদেশৰ হামিৰপুৰ** সমষ্টিৰ পৰা জয়লাভ কৰে। **হিমাচল প্ৰদেশৰ মান্দি** সমষ্টিৰ পৰা বিজেপিৰ কংগনা ৰাণাৱটে জয়লাভ কৰে। ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত ডিব্ৰুগড় কাৰাগাৰত বন্দী হৈ থকা নিৰ্দলীয় প্ৰাৰ্থী অমৃতপাল সিং **পাঞ্জাবৰ খদুৰচাহিব** সমষ্টিৰ পৰা ১ লাখ ৯৬ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

পাঞ্জাবত কংগ্ৰেছে ৩ খন আসনত জয়লাভ কৰাৰ লগতে আন ৪ খন আসনত আগবাঢ়ি আছে। আনহাতে আম আদমী পাৰ্টীয় ছংগ্ৰুৰ আসনত জয়লাভ কৰাৰ লগতে আন দুখন আসনত অগ্ৰগতি লাভ কৰিছে। আনহাতে, শিৰোমণি আকালি দলে এখন আসনত অগ্ৰগতি লাভ কৰাৰ বিপৰীতে দুখন আসনত নিৰ্দলীয় প্ৰাৰ্থীয়ে আগবাঢ়ি আছে। জলন্ধৰ আসনৰ পৰা কংগ্ৰেছৰ চৰণজিত সিং চান্নীয়ে বিজেপিৰ সুশিল কুমাৰ ৰিংকুক ১ লাখ ৭৫ হাজাৰতকৈও অধিক ভোটৰ ব্যৱধানত পৰাস্ত কৰে। কংগ্ৰেছৰ অমৰ সিঙে ফতেহগড় চাহিব আসনৰ পৰা জয়লাভ কৰে। তেওঁ নিকটতম প্ৰতিদ্বন্দী আম আদমী পাৰ্টীৰ গুৰপ্ৰীত সিঙক ৩৬ হাজাৰতকৈও অধিক ভোটত পৰাস্ত কৰে। হাৰিয়ানাৰ ৫ খন আসনত বিজেপি আগবাঢ়ি থকাৰ বিপৰীতে আন ৫ খন আসনত কংগ্ৰেছ আগবাঢ়ি আছে। চণ্ডিগড়ৰ লোকসভাৰ একমাত্ৰ আসনখনত কংগ্ৰেছৰ প্ৰাৰ্থী মনীষ তিৱাৰী, বিজেপিৰ প্ৰাৰ্থী সঞ্জয় টেণ্ডনতকৈ প্ৰায় আঢ়ৈ হাজাৰ ভোটত আগবাঢ়ি আছে। দিল্লীৰ সাতোটা সমষ্টিতে বিজেপিয়ে অগ্ৰগতি লাভ কৰিছে। বিজেপিৰ প্ৰাৰ্থী মনোজ তিৱাৰী, বাসুৰীস্বৰাজ, কমলজিত চেহৰাৱত, প্ৰবীন খান্দেলৱাল, ৰামবীৰ সিং বিধুৰী, য়োগেন্দ্ৰ চন্দ'লিয়া আৰু হৰ্য মালহোত্ৰা তেওঁলোকৰ নিকটতম প্ৰতিদ্বন্দীসকলতকৈ আগবাঢ়ি আছে। লাডাখৰ একমাত্ৰ সংসদীয় আসনখনত নিৰ্দলীয় প্ৰাৰ্থী হাজি হানিফা আগবাঢ়ি আছে। লাক্ষাদ্বীপত কংগ্ৰেছ মহম্মদ হামদ্দুল্লা ছৈয়দ প্ৰায় আঢ়ৈ হাজাৰ ভোটত আগবাঢ়ি আছে। জম্মু কাশ্মীৰৰ ৬ খন আসনৰ দুখনত বিজেপি আগবাঢ়ি থকাৰ বিপৰীতে নেচনেল কনফাৰেন্সৰ প্ৰাৰ্থী দুখনত আৰু নিৰ্দলীয়ই এখনত আগবাঢ়ি আছে। নেচনেল কনফাৰেন্সৰ প্ৰাৰ্থী তথা পূৰ্বৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা বাৰামুল্লাহ লোকসভা আসনখনৰ নিৰ্দলীয় প্ৰাৰ্থী ইঞ্জিনিয়াৰ শ্বেখ ৰছিদতকৈ পিছপৰি আছে। উধমপুৰ সংসদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী ড০ জীতেন্দ্ৰ সিং কংগ্ৰেছৰ চৌধৰীলাল সিঙতকৈ ৯৬ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। অনন্তনাগ ৰাজৌৰী সমষ্টিত নেচনেল কনফাৰেন্সৰ প্ৰাৰ্থী মিয়া আলতাফ আহমেদ, মেহমুবা মুফতীতকৈ ২ লাখ ভোটত আগবাঢ়ি আছে। হিমাচল প্ৰদেশৰ চাৰিওটা সমষ্টিতে বিজেপি আগবাঢ়ি আছে। হামিৰপুৰ লোকসভা আসনখনৰ বিজেপিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ তেওঁৰ নিকটতম প্ৰতিদ্বন্দিতকৈ এক লাখ ৮২ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি থকাৰ লগতে মন্দি আসনৰ বাবে প্ৰতিদ্বন্দিতা কৰা বিজেপি প্ৰাৰ্থী তথা অভিনেত্ৰী কংকনা ৰানাৱতো ৭৪ হাজাৰ ভোটত কংগ্ৰেছৰ প্ৰাৰ্থী বিক্ৰমাদিত্য সিঙতকৈ আগবাঢ়ি আছে। অসমত বিজেপিয়ে ৯ খনত, কংগ্ৰেছে ৩ খনত আৰু অসম গণ পৰিষদ তথা ইউ পি পি এলে এখনকৈ আসনত অগ্ৰগতি লাভ কৰিছে। বিজেপিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ডিব্ৰুগড় সমষ্টিত আঢ়ৈ লাখতকৈ অধিক ভোটত আগবাঢ়ি আছে। ত্ৰিপুৰাত বিজেপিয়ে, পূৱ ত্ৰিপুৰা আসনত জয়লাভ কৰাৰ লগতে পশ্চিম ত্ৰিপুৰা আসনত আগবাঢ়ি আছে। পশ্চিম ত্ৰিপুৰা সংসদীয় সমষ্টিত বিজেপিৰ প্ৰাৰ্থী তথা পূৰ্বৰ মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱ প্ৰায় ৬ লাখতকৈ অধিক ভোটত আগবাঢ়ি আছে। বিজেপিৰ প্ৰাৰ্থী কৃতি দেৱী দেৱবৰ্মনে চি পি আই এমৰ ৰাজেন্দ্ৰ ৰিয়াঙক ৪ লাখ ৮৬ হাজাৰ ভোটত পৰাস্ত কৰিছে। অৰুণাচল প্ৰদেশৰ দুয়োখন আসনতে বিজেপিৰ প্ৰাৰ্থী আগবাঢ়ি আছে।

পশ্চিম অৰুণাচল সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ প্ৰাৰ্থী কিৰেণ ৰিজিজু ৯৬ হাজাৰ ভোটত আগবাঢ়ি থকাৰ বিপৰীতে পূৰ অৰুণাচল সমষ্টিত তাপিৰ গাঁও ৩১ হাজাৰ ভোটত আগবাঢ়ি আছে। মণিপুৰৰ দুয়োখন আসনতে কংগ্ৰেছ আগবাঢ়ি আছে। মিজোৰামৰ একমাত্ৰ সংসদীয় আসনখনত জোৰাম পিপলছ মুভমেণ্ট দল আগবাঢ়ি আছে। নাগালেণ্ডৰ একমাত্ৰ আসনখনত কংগ্ৰেছ আগবাঢ়ি আছে। মেঘালয়ৰ তুৰা আসনখনত কংগ্ৰেছ প্ৰাৰ্থী চালেং এ চাংমাই জয়লাভ কৰিছে। চাংমাই নেচনেল পিপলছ পাৰ্টীৰ আগাথা চাংমাক প্ৰায় ডেৰ লাখ ভোটত পৰাস্ত কৰে। ইপিনে, ৰাজ্যখনৰ শ্বিলং আসনখনত ভইচ অৰ দ্যা পিপলছ পাৰ্টীৰ প্ৰাৰ্থী গৰাকী তেওঁৰ নিকটতম প্ৰতিদ্বন্দীতকৈ ৩ লাখ ভোটত আগবাঢ়ি আছে। চিকিম ক্ৰান্তীকাৰী মৰ্চাৰ প্ৰাৰ্থী ইন্দ্ৰ হাং চুববাই চিকিম লোকসভা আসনখনত নিকটতম প্ৰতিদ্বন্দীক ৮০ হাজাৰতকৈ অধিক ভোটত পৰাস্ত কৰে। আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ একমাত্ৰ আসনখনত বিজেপি প্ৰাৰ্থী বিষ্ণুপদ ৰয় আগবাঢ়ি আছে। বিজেপিৰ প্ৰাৰ্থী কালাবেন দেলকাৰ মোহনভায়ে দাদৰা আৰু নগৰহাভেলী আসনত জয়লাভ কৰাৰ বিপৰীতে নিৰ্দলীয় প্ৰাৰ্থী উমেশ ভাই বাবু ভাই পেটেলে দমন আৰু দিউ আসনত জয়লাভ কৰিছে।

পশ্চিমবংগত বিজেপিৰ ৰাজ্যিক সভাপতি সুকান্ত মজুমদাৰ আগবাঢ়ি থকাৰ বিপৰীতে দলটোৰ আন দুগৰাকী প্ৰাৰ্থী নিশিথ প্ৰামানিক আৰু লকেত চেটাৰ্জীয়ে পিছপৰি আছে। বহৰমপুৰ সমষ্টিৰ সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী য়ুছুফ পাঠান তেওঁৰ নিকটতম প্ৰতিদ্বন্দী কংগ্ৰেছৰ অধিৰঞ্জন চৌধুৰীতকৈ আগবাঢ়ি আছে। তদুপৰি সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জী, বন্দোপধ্যায় সুদিপ্ত আৰু শত্ৰুঘ্ন প্ৰসাদ সিনহাও আগবাঢ়ি আছে। ইপিনে, মহাৰাষ্ট্ৰত শিৱসেনা, ইউবিটিৰ অনিল দেশাইয়ে দক্ষিণ মধ্য মুম্বাই সমষ্টিৰ পৰা জয়লাভ কৰাৰ বিপৰীতে ৰায়গড় সমষ্টিৰ পৰা এন চি পিৰ সুনিল ততকাৰেয়ে জয়লাভ কৰিছে। উল্লেখযোগ্য যে অনিল দেশাইয়ে শিৱসেনাৰ ৰাহুল ছেৱালেক ৫৩ হাজাৰ ৩৮৪ টা ভোটত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে ২০১৪ আৰু ২০১৯ চনত এই আসনখনৰ পৰা ছেৱালে জয়লাভ কৰিছে। আনহাতে, সুনিল তাতকাৰে শিৱসেনা ইউ বি টিৰ প্ৰাৰ্থী আনন্দ গীতেক ৮২ হাজাৰ ৭৮৪ টা ভোটত পৰাস্ত কৰে। শিৱসেনা, ইউ বি টি আন ৮ খন আসনত আগবাঢ়ি থকাৰ লগতে দলটোৰ মিত্ৰজোটৰ কংগ্ৰেছ ১২ খন আৰু এন চি পি এছ পি ৭ খন আসনত আগবাঢ়ি আছে। এন ডি এ মিত্ৰজোটৰ পৰা বিজেপি ১১ খন আসনত আগবাঢ়ি থকাৰ লগতে শিৱসেনা ৭ খন আসনত আগবাঢ়ি আছে। ছংগ্লিত নিৰ্দলীয় প্ৰাৰ্থী বিশাল পাটিল এক লাখতকৈও অধিক ভোটত আগবাঢ়ি আছে।

গুজৰাটত বিজেপিয়ে ৫ খন আসনত জয়লাভ কৰাৰ লগতে আন ২০ খন আসনত অগ্ৰগতি লাভ কৰিছে। ৰাজ্যখনৰ বানচকণ্ঠ সমষ্টিৰ আসনখনত কংগ্ৰেছ প্ৰাৰ্থী গেনিবেন নাগাজি থাকোৰ আগবাঢ়ি আছে। বিজেপিৰ প্ৰাৰ্থী অমিত শ্বাহ তেওঁৰ নিকটতম প্ৰতিদ্বন্দী চোমাল ৰামাভাই পাটেলক ৭ লাখতকৈ অধিক ভোটত পৰাস্ত কৰে।

তেলেংগানাত ১৭ টা লোকসভা সমষ্টিৰ ভিতৰত ৮ টাত বিজেপিৰ প্ৰাৰ্থীয়ে অগ্ৰগতি লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থীয়ে ৮ খন আসনত অন্যান্য এখন আসনত আগবাঢ়ি আছে। এ আই এম আই এমৰ সভাপতি আছাদুদ্দিন ওৱেছি হায়দৰাবাদ সমষ্টিৰ পৰা আগবাঢ়ি থকাৰ বিপৰীতে কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ প্ৰাৰ্থী জি কিশান ৰেড্ডী চেকেন্দৰাবাদ সমষ্ট্ৰিৰ পৰা আগবাঢ়ি আছে। ০০০

০০০

লোকসভাৰ লগতে অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশা বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি ১৪৭ জনীয়া ওড়িশা বিধানসভাৰ ১৪ খন আসনত বিজেপি জয়লাভ কৰাৰ লগতে আন ৬৬ খন আসনত আগবাঢ়ি আছে। ৰাজ্যখনৰ শাসনাধিস্থিত বিজু জনতা দল ৭ খন আসনত জয়লাভ কৰাৰ লগতে আন ৪২ খন আসনত অগ্ৰগতি লাভ কৰিছে। আনহাতে, কংগ্ৰেছে ১ খন আসনত জয়লাভ কৰাৰ বিপৰীতে আন ১৩ খন আসনত আগবাঢ়ি আছে। ইপিনে, ১৭৫ জনীয়া অন্ধ্ৰপ্ৰদেশ বিধানসভা নিৰ্বাচনৰ ফলাফলৰ শেহতীয়া ধাৰা অনুসৰি তেলেগু দেশমে ৪৬ খন আসনত জয়লাভ কৰাৰ লগতে ৯০ খন আসনত আগবাঢ়ি আছে। জনসেৱা পাৰ্টীয়ে ৬ খন আসনত জয়লাভ কৰাৰ লগতে ১৫ খন আসনত আগবাঢ়ি আছে। আনহাতে, বিজেপিয়ে ৪ খন আসনত জয়লাভ কৰাৰ লগতে আন ৪ খন আসনত আগবাঢ়ি আছে।

আনহাতে, উপ নিৰ্বাচন অনুষ্ঠিত বিভিন্ন ৰাজ্যৰ ২৫ খন আসনৰ ভিতৰত বিজেপিয়ে ৮ খন আসনত জয়লাভ কৰাৰ লগতে আন তিনিখন আসনত আগবাঢ়ি আছে। আনহাতে, কংগ্ৰেছে ৬ খন আসনত জয়লাভ কৰাৰ বিপৰীতে এখনত আগবাঢ়ি আছে।

০০০

ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ লক্ষ্য সেনে ইন্দোনেচিয়া অপেন ওৱান থাউজেণ্ড প্ৰতিযোগিতাত জাপানৰ কান্তা চুনিয়ামাক পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। সেনে মাত্ৰ ৪০ মিনিটতে ২১-১২, ২১-২৭ৰ পোনপটীয়া ছেটত চুনিয়ামাক পৰাস্ত কৰে।

০০০

সমাপ্ত